1992
Printed at the Assam Government Press,
Guwahati-781021.

REFERENCE,
(NOT FOR ISSUE)
ING ONLY INSIDE LIBRARY

সত্যমেব জয়তে

# বাজেট ভাষণ

"ক" খণ্ড

১৯৯২-৯৩

১৬ মাৰ্চ, ১৯৯২

শ্ৰীহিতেশ্বৰ শইকীয়া
মুখ্যমন্ত্ৰী, অসম

ONLY INSIDE

## ক - খণ্ড

মাননীয় অধ্যক্ষ মহোদয়,

এই পবিত্ৰ সদনত ১৯৯২-৯৩ চনৰ বাজেট প্ৰাক্কলন দাঙি ধৰিবলৈ পাই মই আনন্দ পাইছো।

২। মাননীয় সদস্য সকলে জানেই যে বিশেষকৈ পণবন্দী সমস্যা আৰু উগ্ৰপন্থীৰ হত্যা-অপহৰণৰ ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমান মন্ত্ৰী সভা প্ৰধানতঃ প্ৰথম কেইমাহমান ৰাইজক নিৰাপত্তা দিয়াৰ কামতে ব্যস্ত হৈ থাকিব লগীয়া হৈছিল। পৰিস্থিতিৰ উপশম নঘটাত আৰু আৰক্ষী বাহিনীয়েও সেই দায়িত্ব সম্পূৰ্ণ ভাবে হাতত লব নোৱাৰাত এটা সময়ত অসামৰিক কৰ্ত্তৃপক্ষক সহায় কৰিবলৈ সেনাবাহিনীকো নিয়োগ কৰিবলগীয়া হৈছিল। চৰকাৰ আৰু ৰাইজে শান্তি ঘূৰাই অনাত দিয়া গুৰুত্বৰ প্ৰতি শেষলৈ অৱশ্যে সংযুক্ত মুক্তি বাহিনীয়েও সহাঁৰি জনালে। মুক্তি বাহিনীয়ে তেওঁলোকৰ জিম্মাত তেতিয়াও থকা পণবন্দী সকলক মোকলাই দিয়াই নহয়, সমস্যা সমূহ আলোচনাৰ জৰিয়তে মীমাংসা কৰিবলৈ নিজৰ ইচ্ছাৰ কথাও প্ৰকাশ কৰিলে। শান্তিৰ বাবে ৰাইজৰ আগ্ৰহৰ লগত সম্পূৰ্ণ বজিতা খুৱাই সংগঠনটোৱে হিংসাত্মক কাৰ্য্য-কলাপ বন্ধ কৰি দিয়াটো স্বাভাৱিকতে ৰাজ্যখনলৈ স্বাভাৱিক জীৱন ঘূৰি অহাৰ ক্ষেত্ৰত বহুপৰিমাণে সহায়ক হৈছে। কিছুমান শক্তিয়ে উত্তেজনাৰ সৃষ্টি কৰি আৰু হিংসাক প্ৰৰোচিত কৰি শান্তিৰ প্ৰচেষ্টা আৰু আলোচনাৰ প্ৰক্ৰিয়াত বাধা দিবলৈ অপচেষ্টা চলোৱাৰ পিছতো আলোচনাৰ মাজেৰে জ্বলন্ত সমস্যাটো সমাধানৰ সম্ভাৱনা

উজ্বল হৈ উঠাৰ বাবে সংগঠনটোৰ সদিচ্ছা আৰু বাস্তব-চেতনাকে শলাগিব লাগিব । চৰকাৰে আন্তৰিক ভাবে আশা কৰে যে আনবোৰ উগ্ৰপন্হী সংগঠনেও ৰাইজৰ শান্তি কামনাকে সম্পূৰ্ণভাবে সন্মান জনাব আৰু সাংবিধানিক উপায়েৰে সকলোবোৰ সমস্যাৰ সমাধানৰ বাবে অনুকূল পৰিবেশ সৃষ্টিত সহায় কৰিব । কেতবোৰ বিক্ষিপ্ত হিংসাত্মক ঘটনা ঘটি থাকিলেও বড়োলেণ্ড কৰ্মীসকলেও লাহে লাহে কথাবোৰ বুজি উঠা যেন দেখা গৈছে আৰু সেই দিশতো অবস্থাৰ আৰু উন্নতি ঘটিব বুলি আমি আশা কৰাৰ থল আছে । এ-এছ্-ডি-চি আৰু কে-এছ্-এই উত্থাপন কৰা স্বায়ত্ব শাসিত ৰাজ্যৰ দাবীটোৰ সন্দৰ্ভত ফলপ্ৰসূ আলোচনাৰ প্ৰক্ৰিয়া স্থিৰ কৰিবলৈ বুলি পাৰ্বত্য অঞ্চলৰ মন্ত্ৰী আৰু কাৰ্বি আংলং জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য গৰাকীৰে গঠিত দুজনীয়া সমিতিলৈ বিষয়টো পঠিওবা হৈছিল । এই সন্দৰ্ভত ত্ৰিপাক্ষিক আলোচনা পতাৰ পৰামৰ্শ সহ সমিতিৰ প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ পঠিওবা হৈছে ।

**প্ৰাকৃতিক দুৰ্যোগ**

৩। মাননীয় সদস্য সকলে জানে যে বানপানীৰ সমস্যাটো এৰাব নোবাৰা সমস্যা হৈ পৰিছেহি আৰু ই ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ বাধাগ্ৰস্ত কৰি আহিছে । চলিত বছৰতো ৰাজ্যখন প্ৰলয়ঙ্কৰী বানপানীৰ কবলত পৰে । ৰাজ্যচৰকাৰে বান নিয়ন্ত্ৰণৰ দিশত হাতত লোবা ব্যবস্থাবলীৰ ভিতৰত আছে - মথাউৰি নিৰ্মান, খহনীয়া প্ৰতিৰোধ ব্যবস্থা, নলা-নৰ্দমা আৰু শ্লুইছ গেটৰ জৰিয়তে পানী উলিয়াই দিয়াৰ ব্যবস্থা । সমস্যাটোৰ ব্যাপকতালৈ চালে দীৰ্ঘম্যাদী সমাধানৰ প্ৰয়োজন আছে । কেন্দ্ৰীয় চৰকাৰেও সমস্যাটোক এক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিছে আৰু ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰিছে । ব্ৰহ্মপুত্ৰ আৰু বৰাক অববাহিকাৰ বাবে বৰ্ডে যুগুতোৱা এক বৃহত্তৰ পৰিকল্পনা সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ পৰীক্ষাধীন হৈ আছে । এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বৰাক নদীৰ ওপৰত টিপাইমুখ বান্ধ প্ৰকল্পৰ প্ৰাক-নিৰ্মাণ কাৰ্য্য হাতত

লবলৈ সন্মত হৈছে । অগ্ৰাধিকাৰৰ ভিত্তিত এই পৰিকল্পনাখনৰ খৰতকীয়া ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰক পতিয়ন নিয়াবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস কৰিব ।

ৰাজ্যৰ অৰ্থনীতি

৪। এনে অসুবিধা সত্বেও, সপ্তম পৰিকল্পনা আৰু ১৯৯০-৯১ চনৰ বাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত দেশত হোৱা বিকাশৰ ধাৰা ১৯৯১-৯২ চনৰ কালছোৱাত ৰাজ্যখনতো আগবঢ়াই নিয়া হৈছে । ৰাজ্যখনৰ অৰ্থনীতিৰ সামগ্ৰিক কামকাজৰ মূল্যায়নে আমাক এতিয়া আশাৰ মনোভাবেৰে ৰাজ্যৰ অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পাতনি মেলিব পৰা কৰি তুলিছে ।

৫। ১৯৯০-৯১ চনৰ বাবে প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন ( NSDP ) ৰ দ্ৰুত হিচাপ চলিত মূল্যত ৮৪৯২.৩ কোটি টকা আৰু স্থিৰ (১৯৮০-৮১) মূল্যত ৪১০৪.৭ কোটি টকা পোৱা হৈছে । ১৯৮৯-৯০ চনৰ বাবে অনুৰূপ সাময়িক হিচাপ আছিল যথাক্ৰমে ৭৭৪১.০ কোটি টকা আৰু ৩৮১৭.৩ কোটি টকা । ১৯৯০-৯১ ৰ কালছোৱাত প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৯-৯০ চনতকৈ চলিত মূল্যত শতকৰা ৯.৭ ভাগ আৰু স্থিৰ মূল্যত শতকৰা ৭.৫ ভাগ বৃদ্ধি পায় । আনহাতে ১৯৮৮-৮৯ চনতকৈ ১৯৮৯-৯০ চনত এই বৃদ্ধিৰ শতকৰা হাৰ আছিল যথাক্ৰমে ১৭.৯ ভাগ আৰু ৬.৩ ভাগ । চলিত মূল্যত ১৯৯০-৯১ চনৰ বাবে জনমূৰি প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ আনুমানিক হিচাপ ১৯৮৯-৯০ চনৰ ৩১৯৬ টকাৰ বিপৰীতে ৩৪২৭ টকা পোৱা হৈছে । এই বৃদ্ধিৰ হাৰ ৭.২ শতাংশ । আগৰ বছৰত ইয়াৰ হাৰ আছিল ১৫.৩ শতাংশ । আনহাতে ১৯৯০-৯১ চনৰ বছৰৰ বাবে জনমূৰি প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন চলিত মূল্যত ৫.১ শতাংশ বৃদ্ধি হৈ ১৯৮৯-৯০ চনত ১৫৭৬ টকাৰ পৰা ১৬৫৬ টকালৈ বৃদ্ধি হয় । ১৯৮৯-৯০ চনত এই বৃদ্ধি আছিল ৪ শতাংশ ।

মূল্য

৬। বিগত বছৰসমূহত পৰিলক্ষিত হোৱা মূল্যৰ উৰ্দ্ধগামী গতি চলিত বছৰতো অব্যাহত থাকিল আৰু মাজে মাজে ই অধিক ব্যাপক হৈও পৰে । ১৯৯১ চনৰ জানুৱাৰী মাহৰ পৰা যে মাহলৈকে এই সময়ছোৱাত গড়. হিচাপত পাইকাৰী মূল্যসূচী ১৯৯০ চনৰ একেখিনি সময়ৰ মূল্যসূচীতকৈ ১১.১ শতাংশ বৃদ্ধি পায় । ১৯৯০ চনত সামগ্ৰিক ভাবে এই হাৰ ১০.৯ শতাংশ পৰ্যন্ত বাঢ়িছিল আৰু ১৯৯১ চনৰ জানুৱাৰীৰ পৰা অক্টোবৰ মাহৰ কালছোৱাত গ্ৰাহক মূল্যসূচী তাতোকৈও বাঢ়ি. ১৯৯০ চনৰ একেখিনি সময়ৰ মূল্যসূচীতকৈ ১৩ শতাংশ বৃদ্ধি দেখুৱায়গৈ ।

বাৰ্ষিক পৰিকল্পনা ১৯৯১-৯২

৭। ১৯৯১-১৯৯২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে আবন্টন আছিল ৮০৫ কোটি টকা । ৰাজ্যিক খণ্ডৰ পাৰ্বত্য যোজনা, জনজাতি উপ পৰিকল্পনা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ আবন্টন আছিল যথাক্ৰমে ৫৬.৪৮ কোটি টকা, ৭৯.৭৯ কোটি টকা আৰু ৪৮.২১ কোটি টকা ।

৮। ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ ৰূপায়ণৰ কাম আন্তৰিকতাৰে হাতত লোৱা হয় আৰু ৰাজ্যখনত চলিত বছৰটোৰ বেছিখিনি সময়তে আইন শৃঙ্খলাৰ পৰিস্থিতি চলি থকা সত্বেও আৰু বানপানীৰ ধ্বংসলীলা সত্বেও বিভিন্ন খণ্ডত আমাৰ কাম-কাজ সন্তোষজনক হৈ আছে ।

কৃষি

৯। আমাৰ অৰ্থনীতিৰ ঘাই অবলম্বন কৃষি খণ্ডই ১৯৯১-৯২ ৰ কালছোৱাত উল্লেখযোগ্য প্ৰগতি লাভ কৰিছে । খাৰিফ আৰু ৰবি শস্যৰ ক্ষেত্ৰত সামগ্ৰিক সফলতা আগৰ বছৰৰ তুলনাত অধিক উন্নত হ'ব বুলি আশা কৰা হৈছে । ধানৰ উৎপাদন ৩৩.৭৫ লাখ টনৰ লক্ষ্যৰ বিপৰীতে ৩৩.৩৫ লাখ টন হ'ব বুলি আশা কৰা হৈছে । ঘেঁহু, মাকৈ, মাহ, ডাইল, মৰাপাট, সৰিয়হ আদিৰ উৎপাদনো আগৰ বছৰৰ তুলনাত অধিক হ'ব বুলি আশা কৰা হৈছে । অবশ্যে অধিক কুশলী কৃষি পদ্ধতিৰ জৰিয়তে

কৃষিজাত দ্ৰব্যৰ উৎপাদন বৃদ্ধিৰ ভালেখিনি থল আছে আৰু চৰকাৰে ইতিমধ্যে একেলগে একাধিক খেতিৰ ব্যৱস্থা বঢ়োৱা, খেতিৰ ঘনত্ব বৃদ্ধি কৰা, উচ্চ উৎপাদনক্ষম জাতৰ সঁচ, ৰাসায়নিক সাৰ, ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু অন্যান্য আধুনিক আহিলা পাতিৰ বিস্তৃত ব্যৱহাৰকে ধৰি ভালেমান ব্যৱস্থা হাতত লৈছে।

জলসিঞ্চন

১০। কৃষি উন্নয়নৰ কাৰণে যিহেতু জলসিঞ্চন এক গুৰুত্বপূৰ্ণ আহিলা সেয়ে ৰাজ্য চৰকাৰে খেতিয়কসকলক ব্যাপক হাৰত জলসিঞ্চনৰ সা-সুবিধা আগবঢ়োৱাত যথেষ্ট গুৰুত্ব দিছে। ১৯৯১-৯২ চন বছৰটোত বৃহৎ আৰু মজলীয়া জলসিঞ্চন ক্ষেত্ৰৰ সাধাৰণ এলেকাৰ অধীনত সংশোধিত আবন্টন আছিল ৩৬৭৩.০০ লাখ টকা আৰু আনহাতে ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ ক্ষেত্ৰত আছিল ৪৬৪৫.০০ লাখ টকা। তদুপৰি উপকৃত অঞ্চল উন্নয়নৰ অধীনত ২৬০.০০ লাখ টকা কেন্দ্ৰীয় অংশৰ উপৰিও ৰাজ্যিক অংশ হিচাপে ৩১০ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছে। বিশেষকৈ চলি থকা আঁচনিসমূহ দ্ৰুতভাবে সম্পূৰ্ণ কৰাৰ লগতে ইতিমধ্যে সৃষ্টি কৰা সা-সুবিধাসমূহৰ অধিক উন্নতভাবে আৰু সৰ্বোচ্চ ব্যৱহাৰ সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰা হৈছে।

দুগ্ধ উন্নয়ন

১১। গ্ৰামাঞ্চলত অধিক পৰিপূৰক উপাৰ্জ্জন কৰিব পৰা দুগ্ধ উন্নয়ন আঁচনিয়ে স্বাভাবিকতে যথোচিত অগ্ৰাধিকাৰ লাভ কৰিছে। এই খণ্ডত উন্নয়নমূলক কাম-কাজৰ মুখ্য উদ্দেশ্য হ'ল অধিক পৰিমাণৰ গাখীৰ উৎপাদন আৰু অন্যান্য আঁচনিসমূহৰ ভিতৰত আছে গাখীৰ শীতলীকৰণ প্ৰকল্প, দুগ্ধ আৰু দানা প্ৰকল্প, গ্ৰাম্য ক্ৰীম উৎপাদন কেন্দ্ৰ আৰু সমবায় দুগ্ধ ইউনিয়নৰ উন্নীতকৰণ। ১৯৯১-৯২ চনত সাধাৰণ এলেকাৰ বাবে দুগ্ধ উন্নয়নৰ আবন্টন আছিল ৪২১ লাখ টকা। তেনেদৰে পাহাৰ অঞ্চলৰ বাবে এই পৰিমাণ আছিল ১৮ লাখ টকা। জনজাতীয় উপ-পৰিকল্পনাৰ

অধীনতো ৮৫ লাখ টকা আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ অধীনত ১০৩ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছে।

গ্ৰামোন্নয়ন আঁচনি

১২। দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰা গাওঁবাসী ৰাইজৰ খৰতকীয়া উন্নতিৰ বাবে আমি উচ্চ অগ্ৰাধিকাৰ দিছো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে দৰিদ্ৰতা দূৰীকৰণৰ দুখন প্ৰধান আঁচনি ৰূপায়ণ কৰি আছে। সেই দুখন হ'ল সংহত গ্ৰাম্য বিকাশ ( আই-আৰ-ডি-পি ) আঁচনি আৰু জবাহৰ ৰোজগাৰ যোজনা। ভালেখিনি পৰিমাণৰ চৰকাৰী সাহায্যৰ লগতে আনুষ্ঠানিক বিত্তৰ যোগেদি নিৰ্দ্ধাৰিত পৰিয়াল সমূহক সহায় কৰাই হ'ল আই-আৰ-ডি-পিৰ উদ্দেশ্য। ১৯৯১-৯২ বছৰটোৰ বাবে নিৰ্দ্ধাৰিত লক্ষ্য ৪৫,২৪৯ টা পৰিয়ালৰ বিপৰীতে ১৯৯১ বৰ্ষৰ ডিচেম্বৰ পৰ্য্যন্ত ১৯,২৫৪ টা পৰিয়ালক সংহত গ্ৰাম্য বিকাশ আঁচনিৰ যোগেদি সাহায্য আগবঢ়োৱা হয়। জবাহৰ ৰোজগাৰ যোজনাৰ অধীনত বছৰটোৰ লক্ষ্য ১১৪.৯৯ লাখ শ্ৰমদিনৰ বিপৰীতে ১৯৯১ চনৰ ডিচেম্বৰলৈকে নিয়োগ সুবিধাৰ বাবে ৪১.৫৫ লাখ শ্ৰমদিন সৃষ্টি কৰা হৈছে। ইয়াৰ বাবে ১৯৯১-৯২ ৰ বছৰটোত অনুমোদিত ৰাজ্যিক পৰিকল্পনা আবন্টন আছিল সংহত গ্ৰাম্য বিকাশ আঁচনিৰ অধীনত ১১৮০ লাখ টকা, জবাহৰ ৰোজগাৰ যোজনাৰ অধীনত ১৩০০ লাখ টকা আৰু আই, আৰ, ই, পি, ৰ অধীনত ৭০ লাখ টকা অৰ্থাৎ মুঠতে ২৫৫০ লাখ টকা। ১৯৯২-৯৩ ৰ বছৰৰ বাবে অনুমোদিত আবন্টন হৈছে সংহত গ্ৰাম্য বিকাশ আঁচনিৰ অধীনত ১৩০০ লাখ টকা, আই, আৰ, ই পিৰ অধীনত ৬৫ লাখ টকা আৰু জবাহৰ ৰোজগাৰ যোজনাৰ অধীনত ১৪৫০ লাখ টকা।

১৩। অন্যান্য গ্ৰামোন্নয়ন কাৰ্য্যসূচীৰ ভিতৰত আছে গঞা যুৱকৰ বাবে স্বনিয়োজন সৃষ্টি, মহিলাসকলৰ বাবে উপাৰ্জনমুখী কাৰ্য্যসূচী, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি লোকৰ বাবে বাসগৃহৰ সুবিধা, গাওঁ অঞ্চলত স্বাস্থ্য

ৰক্ষাৰ সা-সুবিধা আৰু গ্ৰাম্য শক্তিৰ আঁচনি। আই-আৰ-ই-পি ৰ অধীনত শক্তিৰ বাবে বৃক্ষৰোপনৰ উপৰিও উন্নত চৌকাৰ বিতৰণ, ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰাৰ কামো হাতত লোৱা হৈছে। চলিত বছৰৰ বাবে গ্ৰামাঞ্চলত অপৰম্পৰাগত শক্তি উৎসৰ উৎকৰ্ষ সাধনৰ বাবে ১০০০ টা জৈৱ গেছ প্ৰকল্প স্থাপনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

১৪। উন্নয়নৰ সৈতে জড়িত প্ৰশাসনক ৰাইজৰ আৰু কাষলৈ নিয়াৰ উদ্দেশ্যে ৰাজ্যখনত অধিক উন্নয়ন খণ্ডৰ সৃষ্টি কৰা হৈছে। তৃণমূল পৰ্য্যায়লৈকে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ সুনিশ্চিত কৰিবলৈ পঞ্চায়ত নিৰ্বাচনৰ জৰিয়তে নতুনকৈ তিনিখলপীয়া পঞ্চায়তীৰাজ নিকায় গঠন কৰা হৈছে। তদুপৰি ৰাজ্য চৰকাৰে ৪৫৫৬ জন গাওঁ পঞ্চায়ত কৰ্মচাৰীৰ চাকৰিৰ প্ৰাদেশিকীকৰণ কৰিছে।

**অনুসূচীত জাতি/ জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ**

১৫। চাহ জনজাতি আৰু প্ৰাক্তন চাহ-জনজাতিৰ লগতে অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোক তথা অনুসূচীত জাতি আৰু জনজাতীয় ৰাইজৰ সামাজিক আৰু আৰ্থিক উন্নয়নৰ প্ৰতি বিশেষ আৰু অবিৰতভাবে মনোযোগ দিয়া হৈছে। ১৯৯১-৯২ ৰ বছৰটোৰ বাবে জনজাতীয় উপ-পৰিকল্পনাৰ অধীনত ধৰা হৈছিল ৭৯.৭৯ কোটি টকা, আনহাতে অনুসূচীত জাতি সংযোগী আঁচনিত ব্যৱস্থা ৰখা হৈছিল ৪৮.২১ কোটি টকাৰ। জনজাতি উপ-পৰিকল্পনাৰ বাবে ১০.২৬ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে ২.৪১ কোটি টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যেৰে এই আবন্টন সমূহ আৰু বঢ়োৱা হয়।

**খাদ্য আৰু অসামৰিক যোগান**

১৬। যোগান পৰিস্থিতি আৰু বয়বস্তুৰ মূল্যৰেখা স্থিৰ ৰখাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিছে। ৰাজ্যখনত কোনো অত্যাবশ্যকীয় সামগ্ৰীৰে নাটনি হোৱা নাছিল আৰু দেশৰ অন্যান্য অংশৰ তুলনাত মূল্যবৃদ্ধিৰ পৰিমাণো অস্বাভাবিক নাছিল।

১৭। ইতিমধ্যে ৰাজ্যখনৰ দুৰ্গম আৰু আওহতীয়া ঠাইসমূহলৈ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সম্প্ৰসাৰণৰ কাম গুৰুত্ব সহকাৰে হাতত লোৱা হৈছে। এই উদ্দেশ্যে ৬৯ টা উন্নয়ন খণ্ড, ৫৫ টা সংহত জনজাতীয় উন্নয়ন প্ৰকল্প আৰু পাৰ্বত্য জিলা সমূহত ১৪ টা উন্নয়ন খণ্ড বিশেষ ভাৱে মনোযোগ দিবলৈ বাছি লোৱা হৈছে। পোনতে ১,৩১,১৫৯ টা পৰিয়ালক সামৰি লৈ, দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা জনসাধাৰণৰ বাবে কিলোৰে প্ৰতি দুটকাকৈ চাউল যোগানৰ এক অভিলাষী আচনি প্ৰবৰ্ত্তন কৰা হৈছে। অহা বছৰৰ ভিতৰত ৰাজ্যৰ আটাইখিনি এনে লোকক এই আঁচনিৰ ভিতৰত সামৰি লব পৰা যাব বুলি আশা কৰা হৈছে।

১৮। নগৰ আৰু গাওঁ অঞ্চল উভয়তে মহকুমা, গাওঁ পঞ্চায়ত সমবায় সমিতি আৰু সুলভ মূল্যৰ দোকান পৰ্য্যায়ত নিৰীক্ষণ সমিতি গঠন কৰি অত্যাৱশ্যকীয় সামগ্ৰী আইন তথা অন্যান্য নিয়ন্ত্ৰণ আদেশ সমূহৰ ব্যৱস্থাৱলী বলবৎ কৰাৰ প্ৰচেষ্টা অধিক ব্যাপক কৰি তোলা হৈছে। সমগ্ৰ ৰাজ্য জুৰি ভুৱা ৰেচন কাৰ্ড চিনাক্ত কৰাৰ এক অভিযানো চলোৱা হৈছে।

১৯। এটি অসামৰিক যোগান নিগম গঠন কৰাৰ বাবেও চৰকাৰে ব্যৱস্থা হাতত লৈছে।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ

২০। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ খণ্ডত ব্যৱস্থা ৰখা আবন্টন সমূহ হৈছে বাৰ্ষিক পৰিকল্পনাৰ অধীনত ২৬৫০.০০ লাখ টকা (সংশোধিত), শতকৰা এশ ভাগ কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ অধীনত ১৬৫৪.৮৭ লাখ টকা আৰু ১৯৯১-৯২ বছৰৰ বাবে উত্তৰ পূৰ্ব পৰিষদৰ পৰা সাহায্য হিচাবে পোৱা ১০০.০০ লাখ টকা। ইয়াৰ বিপৰীতে ১৯৯২-৯৩ বছৰটোত বাৰ্ষিক পৰিকল্পনাৰ অধীনত আবন্টন ধৰা হৈছে ৩৭০০.০০ লাখ টকা।

কেন্দ্ৰীয় ভাবে পৃষ্ঠপোষকতা কৰা পৰিয়াল কল্যাণ কাৰ্য্যসূচীৰ বাবে আমি ২৯৫৫.৫৭ লাখ টকাৰ প্ৰস্তাৱ কৰিছোঁ । চলিত বছৰটোত গ্ৰাম্য স্বাস্থ্য সেবাৰ ক্ষেত্ৰত উল্লেখযোগ্য প্ৰগতি লাভ কৰা হৈছে । ইয়াৰ বাহিৰেও বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানৰ উন্নয়ন আৰু গুৱাহাটী মেডিকেল কলেজ হাস্পতালৰ ব্লাড বেঙ্কৰ সম্প্ৰসাৰণ তথা ট্ৰেন্সফিউজন সেবা আৰু এইডচ ৰোগৰ পৰীক্ষাৰ সুবিধাকে ধৰি অন্যান্য ক্ষেত্ৰতো উন্নতি ভালেই হৈছে । ১৯৯০-৯১ৰ ৯৩৫৫ টাৰ বিপৰীতে ১৯৯১-৯২ত ১৭০০০ টা কেটাৰেক্ত অস্ত্ৰোপচাৰ কৰা হয় । বছৰটোত শিশুৰ ৰোগ প্ৰতিষেধকৰ ক্ষেত্ৰতো ব্যাপক হাৰত টীকা দিয়াৰ ব্যৱস্থা অব্যাহত থাকে । গৰঁল ৰোগ নিয়ন্ত্ৰণৰ হকে হাতত লোৱা নিমখ নিৰীক্ষণৰ ব্যৱস্থাও উল্লেখযোগ্য । অহা বছৰটোত ৰাষ্ট্ৰীয় ভিত্তিত গ্ৰহণযোগ্য হোৱাকৈ ঔষধ পৰীক্ষা কৰাৰ সা-সুবিধা সম্প্ৰসাৰিত কৰা হব । ইউনিচেফৰ যথেষ্ট পৰিমাণৰ সাহায্যেৰে গৰঁল ৰোগ নিয়ন্ত্ৰণৰ ব্যৱস্থা অধিক উন্নত হ'ব । শিশুৰ জীৱন ৰক্ষা আৰু নিৰাপদ মাতৃত্বৰ বাবে এক গুৰুত্বপূৰ্ণ আচনিও আৰম্ভ কৰা হ'ব । শিলচৰ আৰু অসম মেডিকেল কলেজৰ অনক'লজী বিভাগৰ সম্প্ৰসাৰণৰ লগতে ব্লাড বেঙ্ক আৰু এইচ্‌ছ আই ভি পৰীক্ষা কৰাৰে সুবিধাও চৰকাৰে আগবঢ়াব । ৰাজ্যখনৰ গ্ৰাম্য স্বাস্থ্য সেবাৰ উন্নতিৰ বাবে অতীৱ প্ৰয়োজনীয় এনেকা প্ৰকল্পত ধন বিনিয়োগৰ বাবে বিশ্ব বেঙ্ক আগবাঢ়ি আহিব বুলি আমি আশা ৰাখিছোঁ ।

২১। বছৰটোৰ ভিতৰত ডিফুৰ জিলা চিকিৎসালয় খন ৯৬ টা পদ সৃষ্টি কৰি উন্নত কৰা হৈছে । ৩০ খন বিচনাযুক্ত মাইবং চিকিৎসালয় খনক ১০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ ৰূপান্তৰ কৰাৰ কাৰণে ঘৰ সজাৰ ক্ষেত্ৰত প্ৰশাসনীয় অনুমোদন দিয়া হৈছে । ১০০ খন বিচনাযুক্ত হাফলঙৰ অসামৰিক চিকিৎসালয়খনো ২০০ খন বিচনাযুক্ত কৰিবলৈ নিৰ্মাণ কাৰ্য্যৰ বাবেও বছৰটোৰ ভিতৰতে অনুমোদন জনোৱা হয় ।

শিক্ষা ২২। ৰাজ্য চৰকাৰে যাইকৈ প্ৰাধান্য দিয়া ক্ষেত্ৰ সমূহৰ ভিতৰত অন্যতম হিচাপে শিক্ষা সদায়েই গুৰুত্বপূৰ্ণ হৈ আছে। কেৱল শিক্ষাৰ সা-সুবিধা প্ৰতিটো অঞ্চললৈ বিস্তাৰ কৰাতেই যে আমি ভালেখিনি সফল হৈছোঁ এনে নহয়, শিক্ষাৰ মানদণ্ড আৰু গুণগত উন্নতিও সাধিত হৈছে। ১৯৯১-৯২ ৰ কালছোৱাত বহুসংখ্যক প্ৰাথমিক, মাধ্যমিক আৰু হাইস্কুল প্ৰাদেশিকীকৰণ কৰা হৈছে আৰু প্ৰায় ৪০,০০০ শিক্ষকৰ নতুন পদ সৃষ্টি কৰা হৈছে। ভালে সংখ্যক হাইস্কুলো হায়াৰ চেকেণ্ডাৰী স্কুললৈ উন্নীত কৰা হৈছে।

২৩। উচ্চ শিক্ষাৰ ক্ষেত্ৰতো উৎসাহজনক প্ৰগতি লাভ কৰা হৈছে। শিলচৰৰ প্ৰস্তাবিত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপৰিও, কেন্দ্ৰীয় চৰকাৰে নীতিগতভাবে তেজপুৰত আন এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ উপাধ্যক্ষৰ সভাপতিত্বত স্থান নিৰ্বাচন সমিতিয়ে ইতিমধ্যে কাম আৰম্ভ কৰিছে।

২৪। উত্তৰ গুৱাহাটীত ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান (আই-আই-টি) এটি স্থাপনৰ দিশত সন্তোষজনক প্ৰগতি লাভ কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় মাটিৰ অধিকাংশ ইতিমধ্যে লোৱা হৈছে আৰু অধিগ্ৰহণ কাৰ্য্যব্যৱস্থাৰো চূড়ান্ত ৰূপ দিয়া হৈছে। সেই ঠাইত জৰীপৰ কামো আৰম্ভ হৈ গৈছে আৰু বৰ্ড অব গবৰ্ণৰচ গঠন কৰা হৈছে। কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু আই-আই-টি দুয়োখনৰে স্থাপনৰ কাম অহা বছৰটোৰ ভিতৰতে ভালেখিনি আগবাঢ়িব বুলি আশা কৰা হৈছে।

পৰিবহন ২৫। পৰিবহন সেৱাৰ উন্নতিৰ বাবেই নহয়, পথৰ নিৰাপত্তা নিশ্চিত কৰাৰ অৰ্থেও চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে ব্যক্তিগত খণ্ডৰ পৰিবহন সংস্থা আৰু অসম পথ পৰিবহন নিগমৰ উপৰিও

আভ্যন্তৰীণ জল পৰিবহন ব্যবস্থাও অধিক শক্তিশালী কৰা হৈছে। ৰাজ্যৰ বিভিন্ন অঞ্চলত নতুনকৈ সাতোটা ফেৰী সেবা আৰম্ভ কৰা হৈছে আৰু অহা বছৰতে আৰু ১৩ টা সেবা প্ৰচলন কৰাৰ প্ৰস্তাব কৰা হৈছে।

**শ্ৰম আৰু নিয়োগ**

২৬। এমপ্লয়মেন্ট মাৰ্কেট ইনফৰমেশ্যন প্ৰগ্ৰেমৰ তথ্য অনুযায়ী ১৯৯১ ৰ মাৰ্চ মাহ পৰ্যন্ত তিনিমাহৰ কাল ছোৱাত আগৰ বছৰৰ একেখিনি সময়ৰ তুলনাত ৰাজ্যখনৰ ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ড উভয়তে সংগঠিত অৰ্থনৈতিক কাম-কাজত নিয়োজিত লোকৰ সংখ্যা ১০.২৩ লাখৰ পৰা ১০.৫১ লাখলৈ অৰ্থাৎ ২.৭ শতাংশ বৃদ্ধি হয়। ৰাজহুৱা খণ্ডত নিয়োগ বৃদ্ধিৰ হাৰ আছিল ৩.২ শতাংশ আৰু ব্যক্তিগত খণ্ডত আছিল ২.২ শতাংশ। ১৯৯১ ৰ মাৰ্চলৈকে মহিলা কৰ্মচাৰীৰ সংখ্যা আছিল ৩.২০ লাখ অৰ্থাৎ মুঠ কৰ্মচাৰীৰ প্ৰায় ৩০.৫ শতাংশ।

**নিবনুৱা**

২৭। ৰাজ্যখনত বিগত বছৰকেইটাত অতিৰিক্ত নিয়োগ সুবিধা সৃষ্টি কৰা সত্বেও বাঢ়ি অহা নিবনুৱা সমস্যাটো ৰাজ্যখনৰ বাবে অতিশয় উদ্বেগৰ কাৰণ হৈ পৰিছে। নিয়োগ বিনিময় কেন্দ্ৰবোৰৰ চলন্ত পঞ্জী অনুসৰি ১৯৯০ চনৰ চেপ্তেম্বৰ মাহৰ শেষত চাকৰি প্ৰাৰ্থীৰ সংখ্যা ১০.৩০ লাখৰ পৰা বাঢ়ি ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ শেষলৈ ১৩.১৫ লাখ হয়গৈ। অৰ্থাৎ ২৭.৬১ শতাংশ বাঢ়িছে। ১৯৯১ চনৰ চেপ্তেম্বৰত মুঠ চাকৰি প্ৰাৰ্থীৰ ভিতৰত ৭.৮ লাখ জন অৰ্থাৎ ৫৯.৩ শতাংশ শিক্ষিত লোক হোৱাটো স্বাভাবিকতেই বৰ উদ্বেগৰ কথা।

২৮। ৰাজ্য চৰকাৰে নিবনুৱা যুবকসকলক নিয়োগ সুবিধা দিবলৈ সকলো প্ৰকাৰৰ ব্যবস্থা লৈছে। সকলো চৰকাৰী বিভাগকে খালি হৈ থকা পদবোৰ পূৰণ কৰিবলৈ কোৱা হৈছে। ১৯৯১-৯২ চনত আমি প্ৰায় ৪০,০০০ টা শিক্ষকৰ পদ সৃষ্টি কৰিছো, যাৰ ফলত অকল ৰাজ্যখনৰ দূৰ দূৰণিৰ পিছ পৰা অঞ্চলবোৰত

মাথো শিক্ষাৰ সুফল লাভ হোৱাই নহয় এক বুজন সংখ্যক শিক্ষিত নিবনুৱা যুৱকক নিয়োগৰ সুবিধাও দিব পৰা হ'ব। চৰকাৰে স্বনিয়োজনৰ অধিক সুবিধা সৃষ্টিৰ বাবে ব্যবসায় বাণিজ্য, উদ্যোগ সেৱা আদি অৰ্থনীতিৰ বিভিন্ন খণ্ডত ভালেমান ব্যৱস্থা হাতত লৈছে।

২৯। অধিক নিয়োগ সৃষ্টিৰ সম্ভাবনালৈ চাই ক্ষুদ্ৰ উদ্যোগ বিকাশৰ ওপৰত জোৰ দিয়া হৈছে। ক্ষুদ্ৰ আৰু কুটিৰ শিল্প খণ্ডৰ বাবে পূঁজি আবন্টনৰ ক্ষেত্ৰত বৃহৎ আৰু মজলীয়া উদ্যোগ খণ্ডৰ সৈতে তুলনামূলক ভাবে প্ৰয়োজনীয় সাল-সলনি ঘটোৱা হৈছে। আই-টি-আইকে ধৰি ৰাজ্যখনত থকা বাণিজ্যিক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহক সময়ৰ লগত খাপ খোৱা নতুন বিষয়ৰ সূচনা কৰি শক্তিশালী কৰিবলৈ বিচৰা হৈছে।

উদ্যোগ

৩০। নিয়োগৰ প্ৰচুৰ সুবিধা থকা ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ খণ্ডবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ লগতে দ্ৰুত ঔদ্যোগিকৰণৰ প্ৰতি ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ঔদ্যোগিকৰণ হৈছে এটা সামাজিক প্ৰক্ৰিয়া আৰু নিবনুৱা যুৱকসকলৰ শক্তিক উৎপাদনশীল কাম-কাজৰ প্ৰতি আকৰ্ষিত কৰাৰ বৃহৎ সামাজিক প্ৰয়োজনীয়তাৰ লগত চৰকাৰী নীতি খাপ খাব লাগিব। সেয়েহে, উদ্যোগ শিতানৰ শতকৰা ২৫ ভাগতকৈও অধিক আবন্টন ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ খণ্ডবোৰৰ বিকাশৰ বাবে ধৰা হৈছে।

৩১। ১৯৯১ চনৰ শেষলৈকে ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ খণ্ডবোৰৰ কামকাজৰ এক পৰ্যালোচনাৰ পৰা দেখা গৈছে যে ১০,০০০ তকৈও অধিক লোকক নিয়োগৰ সুবিধা দিয়াৰ অৰ্থে ১৫৮৫ টা ক্ষুদ্ৰ উদ্যোগ গোট আৰু ১১২৬ টা হস্তশিল্প গোট স্থাপন কৰা হৈছিল। শিক্ষিত নিবনুৱা যুৱকৰ আত্ম সংস্থাপন আঁচনিৰ অধীনত ১৯৯২ চনৰ জানুৱাৰীলৈকে প্ৰায় ৩,০০০ লোকক আত্ম সংস্থাপন দিয়াটো সম্ভৱপৰ হৈছে। অধিক ফলপ্ৰসুভাবে আৰু

অধিকতৰ লোকক সংস্থান দিয়াৰ লক্ষ্যোৰে ১৯৯২-৯৩ চন বছৰটোত এই আঁচনিবোৰৰ ৰূপায়ণৰ কাম চলাই থকা হ'ব। ১৯৯২-৯৩ চনৰ বছৰটোৰ বাবে প্ৰায় ৩৮,০০০ লোকক নিয়োগ সুবিধা দিবলৈ ৪,০০০ টা ক্ষুদ্ৰ উদ্যোগ গোট আৰু ৩,০০০ টা হস্ত শিল্প গোট স্থাপনৰ লক্ষ্য ধাৰ্য কৰা হৈছে। চৰকাৰে সংশ্লিষ্ট ব্যৱস্থা সমূহক উদ্যোগীসকলৰ বাবে আকৰ্ষণীয় কৰি তোলাই নহয়, দায়িত্বসম্পন্ন কৰি তোলাৰ বাবেও ইয়াক সবল আৰু সুবিন্যস্ত কৰি তুলিব। যুবক সকলৰ মাজত উদ্যোগমুখী মনোভাব বঢ়াই তুলিবলৈ প্ৰশিক্ষণ কাৰ্য্যসূচীৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ব।

৩২। বৃহৎ আৰু মজলীয়া খণ্ডত সময় আৰু খৰচৰ মাত্ৰা যাতে নাবাঢ়ে. তাৰ বাবে বিভিন্ন প্ৰকল্পৰ খৰতকীয়া ৰূপায়ণৰ ওপৰত অধিক মনোযোগ দিয়া হ'ব। দুটা বৃহৎ প্ৰকল্প যেনে - গেছ ক্ৰেকাৰ আৰু চুক্তি শোধনাগাৰৰ কাৰণে প্ৰয়োজনীয় আন্তৰ্গাথনি আৰু বিত্তীয় সুবিধাৰ জৰিয়তে উদ্যোগৰ প্ৰতি আকৰ্ষিত কৰিবলৈ যথেষ্টখিনি দিহা ৰখা হৈছে। চৰকাৰী, যুটীয়া আৰু সহযোগী খণ্ডবোৰত নিৰ্মীয়মান অৱস্থাত থকা আন ভালেমান প্ৰকল্পৰ প্ৰতিও যথাযথ ভাবে মনোনিবেশ কৰা হ'ব।

**ৰাজহুৱা প্ৰতিষ্ঠান**

৩৩। ৰাজহুৱা প্ৰতিষ্ঠানবোৰত ৰাজ্য চৰকাৰে বৃহৎপৰিমাণৰ ধন খটুৱাইছে যদিও সেইবোৰৰ সৰহ ভাগেই যথেষ্ট পৰিমাণৰ উৎপাদন অবিহনে চলি থকাটো বৰ উদ্বেগৰ কথা। বাঢ়ি যোৱা বিত্তীয় ঘাটিৰ পৰিপ্ৰেক্ষিতত ইয়াৰ লোকচানৰ বোজা বহন কৰাটো চৰকাৰৰ পক্ষে বেছি কঠিন হৈ পৰিছে। ৰাজহুৱা প্ৰতিষ্ঠানবোৰে নিজৰ ক্ষয়িষ্ণু অৱস্থাক প্ৰতিৰোধ কৰাৰ লগতে সামগ্ৰিকভাবে ৰাজ্যৰ অৰ্থনীতিলৈও অবিহণা যোগাবলৈ ভালেখিনি ৰাহি সৃষ্টি কৰিব লাগিব।

**অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ**

৩৪। ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিত্তীয় অৱস্থাও সমূলি সন্তোষজনক নহয়। ঋণৰ মূলধন আৰু সুত পৰিশোধ কৰাত ইয়াৰ অপাৰগতা আৰু ঘাটি পূৰণৰ বাবে লগা আৱশ্যকীয় ধনৰ প্ৰয়োজন ৰাজ্যৰ বাজেটত স্বাভাৱিকতে প্ৰতিফলিত হৈছে। ১৯৯২-৯৩ চনত ৰাজ্য চৰকাৰৰ সুদৰ দেনা আৰু মূল্য হ্ৰাস বাদ দিও বিদ্যুত পৰিষদৰ কাম কাজৰ ফলাফলৰ ১৩৭.৩৮ কোটি টকাৰ এটা ব্যৱধান দেখা যায়। সম্প্ৰতি কৰৰ সংশোধিত নিৰ্দ্ধাৰণৰ পিছত ৫০ কোটি টকাৰ অতিৰিক্ত আয় হব। অৱশ্যে বাকী থকা মুঠ ৮৭.৩৮ কোটি টকাৰ ব্যৱধানখিনি ৰাজ্য চৰকাৰে পূৰাব লাগিব।

৩৫। ইয়াৰ কাৰ্য্য দক্ষতা উন্নত কৰাৰ প্ৰয়োজনীয়তালৈ আওকাণ নকৰাকৈও উল্লেখ কৰিব পাৰি যে বিদ্যুত পৰিষদৰ বিত্তীয় ব্যৰ্থতা আংশিকভাবে ইয়াৰ নিয়ন্ত্ৰণৰ বাহিৰৰ কিছুমান কাৰণতো হৈছে। অধিক ইন্ধন আৰু পুনৰ স্থাপন ব্যয় তথা বেতন বৃদ্ধিৰ লগতে গ্ৰাম্য বৈদ্যুতিকৰণ আৰু পাম্পচেটৰ বৈদ্যুতিকৰণৰ দৰে ৰাষ্ট্ৰীয় লক্ষ্য পূৰণৰ বাবে আৱশ্যকীয় ব্যৱস্থাত গুৰুত্ব দিব লগা হোৱাৰ বাবেও বিদ্যুত পৰিষদৰ লাভৰ ক্ষমতা ব্যাহত হৈছে। এফালে আমি গ্ৰাম্য বৈদ্যুতিকৰণৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিছো যদিও আনহাতে গ্ৰাম্য গ্ৰাহকলৈ যোগানৰ পৰ্য্যায়ত বিদ্যুতৰ খৰচ আৰু প্ৰকৃততে লোৱা নিৰিখৰ মাজত থকা বৃহৎ ব্যৱধান উদ্বেগৰ কাৰণ হৈ পৰিছে। গ্ৰাম্য বৈদ্যুতিকৰণৰ বেলিকা কাম চলাওঁতে হোৱা ক্ষতিৰ বিপৰীতে সাহায্যৰ বাবে কৰা দাবী নৱম বিত্ত আয়োগে স্বীকাৰ কৰা নাই। তথাপিও সামগ্ৰিকভাবে পৰিষদৰ কামকাজ উন্নত কৰাৰ কিছু থল আছে আৰু এই দিশত যথেষ্ট মনোযোগ দিয়া হব।

৩৬। ১৯৯১-৯২ চনত বিদ্যুত খণ্ডৰ পৰিকল্পনা আবণ্টন আছিল ১৯৮.১৭ কোটি টকা, ইয়াৰ বিপৰীতে অহা বছৰৰ বাবে ধাৰ্য কৰা ব্যয় হ'ল ২২৫.১০ কোটি টকা। ১৯৯২-৯৩ চনৰ বাবে

ধাৰ্য কৰা এই ব্যয় ১২৪.২০ কোটি টকাৰ ৰাজ্য চৰকাৰৰ ঋণ, ১০০.৯০ কোটি টকাৰ বিপনন আৰু আনুষ্ঠানিক ঋণৰ জৰিয়তে পূৰণ কৰা হ'ব।

**অসম ৰাজ্যিক পৰিবহন নিগম** ৩৭। ৰাজ্যিক পথ পৰিবহন নিগমো হ'ল এনে এটা ৰাজহুৱা প্রতিষ্ঠান যাৰ বিত্তীয় অস্থিৰতা ৰাজ্য চৰকাৰৰ বাবে এক গভীৰ উদ্বেগৰ বিষয়। মূল্য হ্রাস আৰু ৰাজ্যচৰকাৰক দিব লগা ঋণ পৰিশোধৰ বাবে ৰাহি কৰাৰ কথা বাদেই, নিগমে নিজৰ কাম-কাজৰ খৰচ খিনিকে কৰিব পৰাকৈও যথেষ্ট উপাৰ্জন কৰিব নোৱাৰে। ১৯৯২-৯৩ চনৰ নিগমৰ কৰ্ম আঁচনিয়ে ২৫.৯৯ কোটি টকাৰ বাণিজ্যিক ঘাটি দেখুৱাইছে। ৰাজ্য চৰকাৰৰ মূল্য হ্রাস বাবদ আৰু সুদ বাবদ বাদ দি ১৬.১০ কোটি টকাৰ প্রকৃত ঘাটি নিৰ্দ্ধাৰণ কৰা হৈছে। মূল্য হ্রাস আৰু ৰাজ্যচৰকাৰক পৰিশোধ কৰিব লগীয়া ঋণ নধৰাকৈয়ে মুঠ ক্ষতিৰ পৰিমাণ ১৬.১০ কোটি টকা হয়গৈ। এই মুঠ ক্ষতি ৰাজ্যিক বাজেটত ১১.৮২ কোটি টকা ধৰি আংশিকভাবে পূৰাবলৈ প্ৰস্তাব কৰা হৈছে। নিগমৰ কাম কাজৰ পৰা ৰাজহ আহিব ২৪ কোটি টকা, আনহাতে তাৰ বাবে খৰচ হবগৈ ৩৮ কোটি টকা। ইয়াৰ ফলত ক্ষতিৰ পৰিমাণ হৈ ৰ যাব ১৪ কোটি টকা। সেয়েহে, কোৱা নিস্প্রয়োজন যে বাজেটৰ ওপৰত বাঢ়ি অহা নিৰ্ভৰশীলতা কমোৱাৰ উদ্দেশ্যে সামৰ্থ্যৰ পূৰ্ণতৰ ব্যৱহাৰৰ যোগেদি সামগ্রিক কৰ্মদক্ষতা উন্নীত কৰাটো অতিশয় জৰুৰী হৈ পৰিছে।

৩৮। ১৯৯২-৯৩ চনৰ বাবে নিগমৰ পৰিকল্পনা আবন্টন ৭.৫০ কোটি টকা ধাৰ্য কৰা হৈছে। পাৰ্বত্য পৰিকল্পনাৰ বাবে ধৰা ২৪ লাখ টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যেৰে এই আবন্টনক আৰু কিছু পৰিমাণে পৰিপূৰণ কৰা হব।

দৰ্মহা আয়োগ

৩৯। মাননীয় সদস্যসকলৰ এটা কথা ছাগে মনত পৰিব যে ১৯৮৮ চনত নিয়োগ কৰা দৰ্মহা আয়োগৰ বেছিভাগ অনুমোদনকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছিল। দৰ্মহা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত ১-১-৮৯ ইং তাৰিখৰ পৰা ৩১-৭-৯০ ইং তাৰিখলৈকে কৰ্মচাৰী সকলে পাবলগীয়া বেতন আৰু বানচৰ বকেয়া ধনৰ আধাখিনি যোৱা বছৰতে মুকলি কৰি দিয়া হৈছিল। চলিত বছৰতো, বিত্তীয় নাটনি সত্ত্বেও, বাকী থকা ২০০ কোটিৰো অধিক পৰিমাণৰ বকেয়া ধন মুকলি কৰি দিয়া হৈছে।

আসোঁৱাহ দূৰীকৰণ কমিটি

৪০। শেহতীয়া দৰ্মহা আয়োগৰ অনুমোদনাৱলীত থাকিব পৰা বুলি ভবা আসোঁৱাহবোৰ পৰীক্ষা কৰি চোৱাৰ বাবে ১৯৯১ চনৰ ফেব্ৰুৱাৰীত গঠন কৰি দিয়া এজনীয়া এন'মালি কমিটিয়ে কেইসপ্তাহ মানৰ ভিতৰতে ইয়াৰ পূৰ্ণ প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে। এই কমিটিৰ অনুমোদনাৱলী যথাযথভাবে বিবেচনা কৰা হ'ব।

মৰগীয়া ভাট্টা

৪১। চলিত বছৰত সকলো কৰ্মৰত চৰকাৰী চাকৰিয়ালৰ বাবে মৰগীয়া বানচৰ দুটা কিস্তি মুকলি কৰি দিয়া হৈছে। পেঞ্চন ভোগীসকললৈকো অনুৰূপ সুবিধা আগবঢ়োৱা হৈছে। ১৯৯১ চনৰ পহিলা জানুৱাৰী তাৰিখত দিবলগীয়া প্ৰথম কিস্তিৰ বাবে খৰচৰ পৰিমাণ হ'ল ৮৪ কোটি টকা। চলিত বছৰৰ ভিতৰতে ১৯৯১ চনৰ পহিলা জুলাই তাৰিখৰ পৰা দিবলগীয়া দ্বিতীয় কিস্তিৰ ধনৰ পৰিমাণ হ'ল ৪৮ কোটি টকা। আমাৰ কৰ্মচাৰী সকলৰ সা-সুবিধা চোৱাচিতা কৰাৰ নীতি আৰু কল্যাণকামী ৰাষ্ট্ৰৰ আদৰ্শৰ লগত সংগতি ৰাখি এই সাহায্য মঞ্জুৰ কৰা হৈছে।

চিকিৎসা ভাট্টা

৪২। স্বাস্থ্য ৰক্ষাৰ খৰচ বৃদ্ধিলৈ চাই চৰকাৰী কৰ্মচাৰী সকলক দি অহা চিকিৎসা ভাট্টাৰ মাহিলি পৰিমাণ আগৰ ১০০ টকাৰ পৰা ১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ

২০০ টকালৈ বৃদ্ধি কৰা হয়। ইয়াৰ বাবে চলিত বছৰত অতিৰিক্ত ২০ কোটি টকা ব্যয় হ'ব।

চাৰীসকলৈ
কালীন ধন

৪৩। বিত্তীয় সীমাবদ্ধতা সত্বেও, সদিচ্ছাৰ চিন স্বৰূপে ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৈ এটি এককালীন ধন মঞ্জুৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অহা বিহুৰ আগতেই এই ধনখিনি আদায় দিয়া হ'ব।

ন্তিৰ ফলত
হত লোকলৈ
কালীন
য়

৪৪। যোৱা কেইটিমান বছৰত ৰাজ্যখনে গুৰুতৰ ধৰণৰ সামাজিক আৰু ৰাজনৈতিক অশান্তিৰ মাজেৰে পাৰ হ'ব লগীয়া হৈছিল আৰু ইয়াৰ ফলত বহুতো মূল্যবান জীৱনৰ হানি হয়। এই অশান্তিৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালবোৰৰ বিত্তীয় অৱস্থা চালিজাৰি চাই দেখা যায় যে নিহত লোক সকলৰ নিকট আত্মীয়লৈ মঞ্জুৰ কৰা এককালীন ধনৰ পৰিমাণ নিচেই তাকৰ। সেয়ে ৰাজ্য চৰকাৰে ১৯৮৫ চনৰে পৰা এনে ধৰণৰ অশান্তিত নিহত লোকৰ প্ৰতিজনৰ নিকটাত্মীয়লৈ আগবঢ়োৱা এককালীন ধনৰ পৰিমাণ এক লাখ টকালৈ বঢ়াবলৈ থিৰাং কৰে।

ৰ্ষিক
ৰিকল্পনা
২-৯৩

৪৫। মই এই সুযোগতে পবিত্ৰ সদনক জনাওঁ যে ১৯৯২-৯৩ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ হ'ল ৯৬০ কোটি টকা। ই চলিত বছৰৰ সংশোধিত ব্যয়তকৈ ২০ শতাংশ অধিক। পাৰ্বত্য পৰিকল্পনাৰ বেলিকাও ব্যয়ৰ পৰিমাণ ১৯৯১-৯২ চনৰ ৫৬.৪৮ কোটি টকাৰ পৰা ১৯৯২-৯৩ চনত ৬৭.২০ কোটি টকালৈ বঢ়োৱা হৈছে। পৰিকল্পনা ব্যয়ৰ ভিতৰৰে জনজাতি উপ-পৰিকল্পনাৰ বাবে নিৰ্দ্দিষ্ট কৰা ধনৰ পৰিমাণ ৭৯.৭৯ কোটি টকাৰ পৰা ৯৫.৭১ কোটি টকালৈ আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ ৪৮.২১ কোটিৰ পৰা ৫৭.৮৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰিও অতিৰিক্ত বিশেষ কেন্দ্ৰীয় সাহায্যৰে পাৰ্বত্য পৰিকল্পনা, জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত শ্ৰেণীৰ খণ্ড পৰিকল্পনা সমূহৰ

ব্যয়ৰ পৰিমাণ আৰু বঢ়োৱা হ'ব । চূড়ান্ত সিদ্ধান্ত সাপেক্ষে সদ্যহতে আনুমানিক ব্যয়ৰ পৰিমাণ ক্ৰমে ৩৮.৮৭ কোটি, ১০.২৬ কোটি আৰু ২.৫১ কোটি টকাত ধাৰ্য্য কৰি থোৱা হৈছে।

**পৰিকল্পনা পুঁজি**

৪৬। ৭৪১.৩২ কোটি টকাৰ কেন্দ্ৰীয় সাহায্য, নৱম বিত্ত আয়োগে নিৰ্দ্দিষ্ট কৰি দিয়া ৬১.২১ কোটি টকাৰ পৰিকল্পনা ৰাজহ মঞ্জুৰী আৰু অৱশিষ্ট ১৫৭.৪৭ কোটি টকাৰ ৰাজ্যিক বৰঙণিৰে পৰিকল্পনা ব্যয়খিনি কৰাৰ প্ৰস্তাব কৰা হৈছে । ক্ষুদ্ৰ সঞ্চয়ৰ সংগৃহীত ধনৰ পৰা ঋণ হিচাপে পোৱা আমাৰ অংশ, বিপণন ঋণ আৰু অন্যান্য প্ৰতিষ্ঠানৰ পৰা পোৱা ঋণৰ দ্বাৰা ৰাজ্যিক বৰঙণিখিনি দিয়াৰ আশা কৰা হৈছে । কেন্দ্ৰীয় সাহায্য বৃদ্ধিৰ বাবে পৰিকল্পনা আয়োগক টানি অনুৰোধ জনোৱা হৈছে ; যাতে কেন্দ্ৰীয় সাহায্য আৰু পৰিকল্পনা ৰাজহৰ মঞ্জুৰীৰ জৰিয়তেই গোটেইখিনি ব্যয়ৰ বাবে পুঁজিৰ যোগান ধৰিব পাৰি ।

**পৰিকল্পনাৰ অগ্ৰাধিকাৰ :**

৪৭। ৰাজ্যিক পৰিকল্পনাৰ ভিতৰত সমাজ সেৱা খণ্ডত সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া হৈছে । এই খণ্ডত ২৬৩.১১ কোটি অৰ্থাৎ মুঠ ব্যয়ৰ ২৭.৪০ শতাংশ টকাৰ আবণ্টন ধাৰ্য কৰা হৈছে । ২৩.৫৪ শতাংশ অৰ্থাৎ ২২৬ কোটি টকাৰ আবণ্টনেৰে দ্বিতীয় অগ্ৰাধিকাৰ পাইছে শক্তি খণ্ডই । ১৩৩.৩১ কোটি (১৩.৮৯ শতাংশ) টকাৰ আবণ্টন লাভ কৰি তৃতীয় অগ্ৰাধিকাৰ পাইছে কৃষি আৰু ইয়াৰ সংযোগী সেৱা খণ্ডই । ১১৪.৫৫ কোটি টকা (১১.৯৩ শতাংশ) আবণ্টনেৰে ইয়াৰ পিচত অগ্ৰাধিকাৰ দিয়া হৈছে জলসিঞ্চন আৰু বাননিয়ন্ত্ৰণ খণ্ডত ।